# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-08-2024
**Time :** 1715 Hrs

# ***Assamese Evening Bulletin***

**- - - - - - - - - - - - - - - - - - - - - - -**

বাংলাদেশৰ বৰ্তমানৰ পৰিস্থিতিৰ বাবে ভাৰত-বাংলাদেশ সীমান্ত পৰ্যৱেক্ষণৰ বাবে কেন্দ্ৰ চৰকাৰৰ গৃহমন্ত্ৰ্যালয়ে এখন উচ্চ পৰ্যায়ৰ কমিটি গঠন কৰি দিছে। এই কমিটিখনে বাংলাদেশত থকা ভাৰতীয় নাগৰীক তথা দেশখনৰ সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ সুৰক্ষাৰ দিশটো লক্ষ্য ৰাখি বাংলাদেশ কৰ্তৃপক্ষৰ সৈতে যোগাযোগ বৰ্তাই ৰাখিব। সীমা সুৰক্ষা বলৰ ইষ্টাৰ্ন কমাণ্ডৰ অতিৰিক্ত সঞ্চালক প্ৰধানক কমিটিখনৰ অধ্যক্ষৰ দায়িত্ব দিয়া হৈছে। গৃহ মন্ত্ৰালয়ৰ সীমা ব্যৱস্থাপনা বিভাগে গঠন কৰি দিয়া কমিটিখনৰ আন চাৰিগৰাকী সদস্য হিচাপে সীমা সুৰক্ষা বলৰ দক্ষিণ বংগ সীমান্ত মুখ্য কাৰ্যালয়ৰ মহাপৰিদৰ্শক, সীমা সুৰক্ষা বলৰ ত্ৰিপুৰা মুখ্য কাৰ্যালয়ৰ মহাপৰিদৰ্শক, স্থল-বন্দৰ কৰ্তৃপক্ষৰ উন্নয়ন আৰু পৰিকল্পনা বিভাগৰ সদস্য আৰু একেটা বিভাগৰে সচিবগৰাকী আছে।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ ৰুক্মিণী গাঁৱত থকা শ্ৰীশ্ৰী টঙনা সত্ৰৰ নৱ নিৰ্মিত কেইবাটাও ভৱনৰ উন্মোচন কৰে। ২০২১-২২ বৰ্ষৰ চৰকাৰৰ আঁচুতিয়া পুঁজিৰ পৰা গুৱাহাটী মহানগৰৰ মাজমজিয়াত থকা সত্ৰখনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে এক কোটি ৩৫ লাখ টকা আৱণ্টন দিছিল। মহাপুৰুষ মাধৱদেৱৰ শিষ্য ৰামচৰণ ঠাকুৰৰ বৰপুত্ৰ দৈত্যাৰি ঠাকুৰে প্ৰায় ৪৫০ বছৰ পূৰ্বে প্ৰতিষ্ঠা কৰা ঐতিহ্যমণ্ডিত টঙৰা সত্ৰৰ চৌহদত চৰকাৰে আৱণ্টন দিয়া পুঁজিৰে সত্ৰখনৰ ভকতগৃহ, ভোজনগৃহ আৰু অতিথিশালা অত্যাধুনিক সা-সুবিধাৰে নিৰ্মাণ কৰি উলিওৱা হৈছে। এই অনুষ্ঠানত ভাগ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ সত্ৰসমূহক সহায়-সাহায্য কৰিবলৈ সকলোকে আহ্বান জনায়।

০০০০০০০

অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলে এইমাহত ১০ আগষ্টৰ পৰিৱৰ্তে ১২ আগষ্টতহে আঁচনিৰ ধন লাভ কৰিব। ১০ আৰু ১১ আগষ্টত চৰকাৰী বন্ধ থকাৰ বাবে অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলে এই মাহত পাবলগীয়া এহেজাৰ ২৫০ টকা ১২ আগষ্ট অৰ্থাৎ সোমবাৰে লাভ কৰিব। ৰাজ্য চৰকাৰৰ গৃহ বিভাগে আজি এখন প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে এই কথা প্ৰকাশ কৰিছে।

০০০০০০০

বাক্সা জিলাৰ শিমলাত সমগ্ৰ শিক্ষা অভিযান অসমে পাঁচদিনীয়াকৈ আয়োজন কৰা বিজ্ঞান শিক্ষকৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি সামৰণি পৰে। ককলাবাৰী ছোৱালী হাইস্কুল আৰু ককলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এই প্ৰশিক্ষণৰ আয়োজন কৰা হৈছিল। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশৰ উন্নতি সাধনৰ উদ্দেশ্যে প্ৰদান কৰা এই প্ৰশিক্ষণত ৯গৰাকী সমল ব্যক্তিয়ে বিভিন্ন বিষয়ে প্ৰশিক্ষণ দিয়ে। জালাহ খণ্ড অন্তৰ্গত বিভিন্ন বিদ্যালয়ৰ ৯২গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে প্ৰশিক্ষণত অংশগ্ৰহণ কৰে। বিজ্ঞানৰ বিভিন্ন আহিলা ব্যৱহাৰ কৰি

আৰু ৰাসায়নিক বিক্ৰিয়া সমূহ হাতে-কামে দেখুৱাই ছাত্ৰ-ছাত্ৰীসকলক মনোগ্ৰাহীকৈ শিক্ষা প্ৰদানৰ প্ৰশিক্ষণ দিয়া হয়। ইয়াৰ সৈতে সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন বিজ্ঞান প্ৰদৰ্শনী আয়োজন কৰা হয়।

0000000

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন বিত্ত নিগম লিমিটেডৰ ২৯ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নেডফি ক্ষুদ্ৰ ঋণ আঁচনিৰ জৰিয়তে উত্তৰ-পূবৰ ১০ হাজাৰ হিতাধিকাৰীৰ মুঠ ১২৫ কোটি টকাৰ ঋণ প্ৰদানৰ বাবে প্ৰস্তুত কৰা এটা ম'বাইল এপ আনুষ্ঠানিক ভাবে মুকলি কৰে। একেটা অনুষ্ঠানতে ৰাজ্যৰ কৃষি আৰু উদ্যোগক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে সৰ্বেশ্বৰ বসুমতাৰী আৰু মুক্তামণি দেৱীক সম্বৰ্ধনা জনোৱা হয়।

0000000

বৰপেটা জিলাৰ বৰপেটা মহাবিদ্যালয়ত আজি অসম চৰকাৰৰ নিযুত মইনা আঁচনিখন মুকলি কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত জিলা আয়ুক্ত আয়ুষ গাৰ্গ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই আঁচনিৰ অধীনত জিলাখনত সামৰি ল'বলগীয়া ছাত্ৰীৰ সংখ্যা হৈছে প্ৰায় ১৪হাজাৰ। ইতিমধ্যে তেওঁলোকৰ মাজত প্ৰ-পত্ৰ বিতৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়তো আজি মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনি অধীনত ৮১৯গৰাকী ছাত্ৰীক প্ৰ-পত্ৰ বিতৰণ কৰা হয়। এই অনুষ্ঠানটি উদ্বোধন কৰে পঞ্চায়ত তথা গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচায্য অধ্যাপক জিতেন হাজৰিকা, ডিব্ৰুগড় জিলাৰ আয়ুক্ত বিক্ৰম কৈৰীৰ লগতে ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে ৰাজ্যৰ ছাত্ৰীসকলৰ সবলীকৰণ, উচ্চ শিক্ষাৰ বাট প্ৰশস্তকৰণ আৰু বাল্য বিবাহ ৰোধৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত **মুখ্যমন্ত্ৰীৰ নিযুত মইনা** আঁচনিৰ উদ্বোধন কৰিছিল। এই আঁচনিখনে অহা ৩ বছৰত ১০ লাখ ছাত্ৰীক সামৰি ল'ব। বাল্য বিবাহৰ দৰে কুসংস্কাৰ ৰোধৰ লগতে অপৈণত বয়সতে মাতৃত্ব লাভৰ দৰে সমস্যাৰ পৰা কন্যাসকলক ৰক্ষা কৰাৰ লক্ষ্যৰে এই আঁচনিখন ৰূপায়ণ কৰা হৈছে।

0000000

ভাৰতীয় মল্লযুঁজাৰু অমন শ্বেৰাবটে আজি পেৰিছ্‌ অলিম্পিকত ব্ৰঞ্জৰ পদক জয়ৰ যুঁজত অৱতীৰ্ণ হ'ব। পুৰুষ মল্লযুঁজৰ ৫৭ কিলোগ্ৰাম শাখাত অমনে প'ৰ্ট ৰিক'ৰ মল্লযুঁজাৰু ডাৰিয়ান ক্ৰুজৰ বিৰুদ্ধে যুঁজ দিব। ভাৰতীয় সময় অনুসৰি নিশা ১০ বাজি ৪৫ মিনিটৰ পৰা খেলখন খেলোৱা হ'ব। অমন শ্বেৰাবটে যোৱা নিশা মল্লযুঁজৰ ছেমিফাইনেলত জাপানৰ ৰেই হিগুছিৰ বিৰুদ্ধে খেলি পৰাজয় বৰণ কৰে। আজি শাখাটোৰ তৃতীয় স্থান তথা ব্ৰঞ্জৰ পদকৰ বাবে হ'বলগীয়া যুঁজত ভাৰতীয় মল্লযুঁজাৰুগৰাকীয়ে ভাগ ল'ব।

0000000

সমাপ্ত